# নগাওঁ ক্ৰীড়া সংস্থা

## ।। ২০২৫-২০২৬ বৰ্ষৰ ফুটবল শাখাৰ প্ৰতিবেদন ।।

নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি মহোদয়, সাধাৰণ সম্পাদক মহোদয় আৰু সদনৰ সকলো সদস্যক মোৰ তৰফৰ পৰা ক্ৰীড়াসুলভ অভিনন্দন জ্ঞাপন কৰি নগাওঁ ক্ৰীড়া সংস্থাৰ ২০২৫-২০২৬ বৰ্ষৰ ফুটবল শাখাৰ প্ৰতিবেদন আপোনালোকৰ জ্ঞাতাৰ্থে আগবঢ়ালো।

নগাঁও ক্ৰীড়া সংস্থাৰ নৰ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন ফুটবল লীগ ২৪-০৭-২০২৫ তাৰিখৰ পৰা আৰম্ভ হৈ ০৭-০৮-২০২৬ তাৰিখে সমাপ্ত হয়। এই তৃতীয় ডিভিজন লীগত মুঠ ৬ টা ক্লাৱে অংশগ্ৰহণ কৰে। এই ক্লাৱ সমূহৰ পৰা ভাইটিলিটি স্প'ৰ্টছ ক্লাৱে প্ৰথম স্থান আৰু মাজৰআটি অৰুণোদয় সাংস্কৃতিক সমাজে দ্বিতীয় স্থান লাভ কৰে আৰু  ভাইটিলিটি স্প'ৰ্টছ ক্লাৱ দ্বিতীয় ডিভিজনলৈ উন্নীত হয়। বঢ়মপুৰ স্প'ৰ্টছ ক্লাৱে অন্তিম স্থান লাভ কৰি চতুৰ্থ ডিভিজনলৈ অৱনমিত হয়।

নগাঁও ক্ৰীড়া সংস্থাৰ অজিত কুমাৰ বৰা সোঁৱৰণী দ্বিতীয় ডিভিজন ফুটবল লীগ ২০-০৮-২০২৫ তাৰিখৰ পৰা আৰম্ভ হৈ ১০-০৯-২০২৫ তাৰিখে সমাপ্ত হয়। দ্বিতীয় ডিভিজন লীগত মুঠ ৯ টা ক্লাৱে অংশগ্ৰহণ কৰে। সাধাৰণ সভাৰ নিৰ্দেশ অনুসৰি অন্তিম স্থানপ্ৰাপ্ত ক্লাব দুটা অৱনমিত হ'ব। যিহেতুকে নগাঁও ইলাইট ক্লাৱে অযোগ্য ঘোষিত হোৱাত লীগৰ চেম্পিয়ন কামপুৰ ষ্টুডেন্ট্ এথলেটিক ক্লাৱে প্ৰথম ডিভিজনলৈ উন্নীত হয় আৰু অন্তিম স্থান লাভ কৰা নগাঁও চুপাৰ ষ্ট্ৰাইকাৰ ক্লাব তৃতীয় ডিভিজনলৈ অৱনমিত হয়।

নগাঁও ক্ৰীড়া সংস্থাৰ চতুৰ্থ ডিভিজনৰ বাবে কোৱালিফাইং লীগৰ খেলসমূহ ইং ১৮-০৯-২০২৫ তাৰিখৰ পৰা আৰম্ভ হৈ ২২/০৯/২০২৫ তাৰিখে সমাপ্ত হয়। উক্ত কোৱালিফাইং লীগত মুঠ ৫ টা ক্লাৱে অংশগ্ৰহণ কৰে। এই ক্লাৱ সমূহৰ পৰা কাজিৰঙা গ্ৰিন এফ. চি. ক্লাৱে প্ৰথম আৰু চুপাৰন'ভা স্প'ৰ্টছ ক্লাবে দ্বিতীয় স্থান লাভ কৰি মুল ৰাউণ্ডলৈ প্ৰৱেশ কৰে।

নগাঁও ক্ৰীড়া সংস্থাৰ অনন্ত কুমাৰ দাস সোঁৱৰণী চতুৰ্থ ডিভিজনৰ খেলসমূহৰ ০২-০৭-২০২৫ তাৰিখৰ পৰা আৰম্ভ হৈ ১৪/০৭/২০২৫ তাৰিখে সমাপ্ত হয়। চতুৰ্থ ডিভিজন লীগত মুঠ ১২ টা ক্লাৱে অংশগ্ৰহণ কৰে। এই ক্লাৱ সমূহৰ পৰা ৰাইন'স্প'ৰ্টছ ক্লাৱে প্ৰথম আৰু সান্নিধ্যই দ্বিতীয় স্থান লাভ কৰে। ৰাইন'স্প'ৰ্টছ ক্লাৱ চেম্পিয়ন হৈ তৃতীয় ডিভিজনলৈ উন্নীত হয়।

নগাওঁ ক্ৰীড়া সংস্থাৰ দ্বাৰা পৰিচালিত নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন ফুটবল লীগ ১২-১০-২০২৫ তাৰিখৰ পৰা আৰম্ভ হৈ ২৮-১০-২০২৫ তাৰিখে সমাপ্ত হয়। এই প্ৰথম ডিভিজন লীগত মুঠ ৮ টা ক্লাৱে অংশগ্ৰহণ কৰে। এই ক্লাৱসমূহৰ পৰা অম্লান গোষ্ঠীয়ে প্ৰথম স্থান, ত্ৰিনয়ন গোষ্ঠীয়ে দ্বিতীয় স্থান লাভ কৰে আৰু অন্তিম স্থান লাভ কৰা সঞ্জীৱন সমাজ দ্বিতীয় ডিভিজনলৈ অৱনমিত হয়।

২০২৫-২০২৬ বৰ্ষত সৰ্বভাৰতীয় আমন্ত্ৰণমূলক প্ৰাইজমানি স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাখন প্ৰচাৰৰ কাৰণে নুৰুল আমিন ষ্টেডিয়ামৰ বাহিৰেও ৰাইদঙ্গীয়া খেলপথাৰ, চৰাইবাহী খেলপথাৰ, চাপৰমুখ খেলপথাৰ আৰু কপাহেৰা খেলপথাৰতো অনুষ্ঠিত কৰোৱা হয়। প্ৰতিযোগিতাখন ০৯-১১-২০২৫ তাৰিখে আৰম্ভ হৈ ২২-১১-২০২৫ তাৰিখে পৰিসমাপ্তি ঘটে।

ক্ৰমশঃ২